**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ সৈতে দেশৰ ৫০ শতাংশ জনসংখ্যাক জড়িত কৰাত গুৰুত্ব আৰোপ কৰিছে। লোকসভাত আজি নাৰী শক্তি বন্দন অধিনিয়ম সম্পৰ্কীয় বিধেয়ককেইখন সন্দৰ্ভত হোৱা আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে মহিলাসকলক দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তেওঁলোকক নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ উচিত প্ৰতিনিধিত্ব প্ৰদান কৰাটো সময়ৰ আহ্বান হৈ পৰিছে।

শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণ আৰু গণতন্ত্ৰৰ বাবে লাভদায়ক বিধেয়ককেইখনক লৈ ৰাজনৈতিক ৰহন সনাৰ পৰা বিৰত থাকিবলৈ বিৰোধী দলসমূহৰ প্ৰতি আহ্বান জনায়।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ সংসদত উত্থাপন কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে।

বিধেয়ককেইখন সন্দৰ্ভত বিৰোধী পক্ষৰ হৈ আলোচনাৰ পাতনি মেলি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে তেওঁৰ দল মহিলাৰ বাবে আসন সংৰক্ষণৰ পক্ষপাতি যদিও এই প্ৰক্ৰিয়া সৰল হ'ব লাগে আৰু ইয়াৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে কোনোধৰণে জড়িত কৰিব নালাগে। লোকসভাত বৰ্তমানৰ ৫৪৩ খন আসনৰ ভিত্তিত আসন সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে বুলি তেওঁ দাবী জনায়।

আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী দলৰ সাংসদ অখিলেশ যাদৱে কয় যে তেওঁৰ দলে মহিলাৰ বাবে আসন সংৰক্ষণৰ সমৰ্থন কৰে। অৱশ্যে সাংসদগৰাকীয়ে দেশৰ বাবে গুৰুত্বপূৰ্ণ বিধেয়ককেইখন উত্থাপন কৰাক লৈ চৰকাৰক প্ৰশ্ন কৰে।

০০০০

চলিত বৰ্ষৰ হজযাত্ৰা পৰহিলৈৰ পৰা আৰম্ভ হ'ব বুলি আজি উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে ঘোষণা কৰিছে। অসমসহ উত্তৰ পূৰ্বাঞ্চলত মুঠ দুহেজাৰ ৫৬৯ গৰাকী হজযাত্ৰীয়ে হজযাত্ৰাৰ বাবে ৰাওনা হ'ব। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা যাত্ৰী আছে। উত্তৰ-পূব হজ যাত্ৰী অভ্যৰ্থনাৰ সভাপতি নেকিবুৰ জামানে গুৱাহাটীত আয়োজিত এখন সংবাদমেলত কয় যে ১৮ এপ্ৰিলৰ পৰা ২১ এপ্ৰিললৈকে পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব। হজযাত্ৰীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকল গুৱাহাটী বৰঝাৰ বিমান বন্দৰৰ পৰা ৰাওনা

হ'ব। হজযাত্ৰীসকলৰ মংগলৰ বাবে কাইলৈ সন্ধিয়া হাজি মুছাফিৰখানাত সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

সাদিনীয়া ব'হাগ বিহুৰ তৃতীয় দিনটো আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত গোসাঁই বিহু হিচাপে পালন কৰা হয়। পুৱাৰ ভাগত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণৰ ব্যাপক সমাগম হয়। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশিস লয়।

ইফালে, ৰাজ্যজুৰি ব'হাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেঁপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে।

উজনি মাজুলীৰ এলেঙী টকৌবাৰী সত্ৰৰ ডেকা সত্ৰীয়া পদুম কুমাৰ মহন্তই সত্ৰখনত পৰম্পৰাগত ৰীতি-নীতিৰে আজি গোসাঁই বিহু অনুষ্ঠিত কৰা হয় বুলি আমাৰ মাজুলীৰ সংবাদদাতাক জনাইছে।

বাক্সা জিলাৰ জালাহ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত আয়োজিত ৰঙালী বিহুৰ ৰূপালী জয়ন্তী মহোৎসৱৰ আজি সামৰণি পৰে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহুৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বশিষ্ঠ চাৰিআলিকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। নুনমাটি বিহু সন্মিলনীয়ে আজি ৰঙালী বিহুৰ সৈতে সংগতি ৰাখি দিনৰ ভাগত বিভিন্ন প্ৰতিযোগিতা আৰু বিয়লি মহিলাৰ সাজপাৰ প্ৰতিযোগিতাৰ আয়োজন কৰে।

বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু, ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

০০০০

ৰঙালীৰ উৎসাহ-উদ্দীপনাৰ মাজতে আজি তামুলপুৰ প্ৰেছ ক্লাবৰ সহযোগত জিলাখনৰ নিৰ্বানা বৃদ্ধাবাসত অনুষ্ঠিত বিহুত আবাসীসকলৰ মাজত আনন্দ মুখৰ পৰিৱেশ বিৰাজ কৰে। বৃদ্ধাবাসখনৰ মুখ্য পৰিচালন সঞ্চালক উৎপল হৰ্ষবৰ্ধনৰ তৎপৰতাত আয়োজিত এই কাৰ্যসূচীত জিলাখনৰ সাংবাদিকসকলে বিহু নাম আৰু বিহু নৃত্যৰে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। বৃদ্ধাবাসৰ আবাসীসকলক ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়।

০০০০

চিৰাং জিলাৰ বিজনী চহৰৰ সমীপৰ শিয়ালমাৰি নিবাসী সমাজকৰ্মী ৰমাকান্ত ৰায়ৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ আজি মৃত্যুক সাৱটি লোৱা প্ৰয়াত ৰায় বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি অঞ্চলটোৰ বিভিন্ন সামাজিক কামকাজত জড়িত আছিল। তেওঁৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ